নাই—তেওঁক জন্ম-লগ্নৰ পূৰ্বে অস্বাভাবিক ধৰণে মাতৃ-গৰ্ভৰ পৰা বাহিৰ কৰা হৈছে। কোনে জানে শেক্সপীয়েৰে মেক্‌ডাফৰ মুখত দিয়া এই কথাখিনিয়ে হয়তো আজি-কালিৰ 'চিজাৰিয়ান অপাৰেশ্যন' উদ্ভাৱনৰ গুৰিৰ কথা। আজি-কালিৰ চিকিৎসা বিজ্ঞানে মানুহৰ যৌনাঙ্গৰ পৰিৱৰ্ত্তন সাধন কৰি পুৰুষক নাৰী আৰু নাৰীক পুৰুষলৈ ৰূপান্তৰিত কৰাত কৃতকাৰ্য হোৱা দেখা গৈছে। এনে এটা বাস্তৱ সাধনৰ পটভূমিও মহাভাৰতৰ কুৰুক্ষেত্ৰ মহাসমৰত এক গুৰুত্বপূৰ্ণ ভূমিকা লোৱা চৰিত্ৰ শিখণ্ডীৰ কথা আমাৰ মনলৈ আহিছে।

কাহিনীমতে পাঞ্চালৰাজ দ্ৰুপদ নিসন্তান আছিল। পুত্ৰ লাভৰ অৰ্থে তেওঁ ভগবান শঙ্কৰক ঘোৰ তপস্যাৰ দ্বাৰা সন্তুষ্ট কৰে। তপস্যাত সন্তুষ্ট হৈ দেৱাদিদেৱ মহাদেৱে দ্ৰুপদৰজাক বাঞ্ছিত বৰ দান কৰি ক'লে যে তেওঁৰ স্ত্ৰী অথচ পুৰুষ সন্তান এটি হ'ব আৰু এই কথাৰ কদাপি অন্যথা নহব।

মহাৰাজ দ্ৰুপদে মহাৰাণীক শঙ্কৰৰ আশীৰ্বাদৰ কথা যথাযথ ভাবে কলে। কথা শুনি সন্তান-হীনা মহাৰাণী আনন্দিতা হ'ল আৰু সেই শুভদিনলৈ আগ্ৰহেৰে বাট চাই থাকিল। সময়ত দ্ৰুপদৰ পাটৰাণীৰ পৰমাসুন্দৰী কন্যা এজনী জন্ম হ'ল। ৰজাৰ কোনো সন্তান নথকাত আৰু সতিনীসকলৰ ওপৰত প্ৰভুত্ব বিস্তাৰ লাভৰ অৰ্থে, বিশেষকৈ মহাদেৱৰ আশীৰ্বাদৰ কথা মনত ৰাখি মহাৰাণীয়ে পুত্ৰ সন্তান জন্ম হোৱা বুলি প্ৰচাৰ কৰি দিলে। প্ৰকৃত কথা একমাত্ৰ ৰজা আৰু ৰাণীৰ মাজতে গোপনে থাকিল। দ্ৰুপদ ৰজাই গোপনীয় কন্যাক পুত্ৰজ্ঞান কৰি জাতকৰ্মাদি পুত্ৰৰ দৰে কৰিলে আৰু শিখণ্ডী নাম ৰাখিলে। সন্তানটিৰ ৰহস্য কেৱল ৰজা আৰু ৰাণীৰ বাহিৰে আন সকলোৰে ওচৰত গোপনীয় হৈ থাকিল। ল'ৰাৰূপী কন্যাৰ শিক্ষা-দীক্ষা আদি লাভৰ বাবে ৰজা বিশেষ যত্নবান হ'ল। আনকি ধনুৰ্বিদ্যা শিক্ষালাভৰ অৰ্থে শিখণ্ডীক দ্ৰোণাচাৰ্যৰ শিষ্যও কৰি দিলে। দ্ৰোণাচাৰ্যৰ ওচৰত শিখণ্ডী বহন, ধাৰণ, প্ৰয়োগ, প্ৰতিকাৰ আদি চাৰি প্ৰকাৰ ধনুৰ্বেদ অধ্যয়ন কৰি ৰথীসকলৰ ভিতৰত শ্ৰেষ্ঠ বুলি পৰিগণিত হ'ল।

সময়ৰ সোঁতত শিখণ্ডী যৌৱনপ্ৰাপ্তি হোৱাত ৰজা-ৰাণীয়ে শঙ্কৰৰ কথাত বিশ্বাস ৰাখি শিখণ্ডীৰ বিবাহৰ আয়োজন কৰিলে। ৰজা আৰু ৰাণীৰ বিশ্বাস যে ত্ৰিলোকৰ কৰ্তা মহাদেৱৰ কথা কেতিয়াও অন্যথা হ'ব নোৱাৰে। সেইবাবে ৰাজশ্ৰেষ্ঠ দ্ৰুপদে দশাৰ্ণৰাজ হিৰণ্যবৰ্মাৰ কন্যাক শিখণ্ডীলৈ ধৰ্মীয় বিধান অনুযায়ী বৰণ কৰি আনিলে। বিয়াৰ আনন্দ-উৎসৱৰ লহৰে গোটেই পাঞ্চাল ৰাজ্যত জোৱাৰ তুলিলে। কিন্তু সেই আনন্দ উৎসৱৰ মাজত এচপৰা কলা ডাৱৰে বিদ্ৰুপৰ হাঁহি মাৰিলে। বিয়াৰ কিছুদিন পিছত দশাৰ্ণৰ ৰাজকন্যাই জানিব পাৰিলে যে শিখণ্ডী আচলতে স্ত্ৰী। কিংকৰ্তব্যবিমূঢ় হৈ ৰাজকন্যাই নিজৰ ধাই আৰু সখীয়েকসকলৰ দ্বাৰা এই গোপনীয় কথা হিৰণ্যবৰ্মাক কোৱালে।

পাঞ্চাল ৰাজৰ এই প্ৰৱঞ্চনাৰ কথা শুনি মহাশক্তিশালী হিৰণ্যবৰ্মা ক্ৰোধান্বিত হ'ল আৰু

পাঞ্চালৰাজৰ ওচৰলৈ দূত পঠিয়াই এই প্ৰতাৰণাৰ সমুচিত প্ৰতিফল দিয়াৰ ভাবুকি দিলে। হিৰণ্য-বৰ্মাৰ দূতৰ মুখত এই কথা শুনি ধৰাপৰা চোৰৰ দৰে দ্ৰুপদ ৰজাৰ মুখৰ মাত হৰিল। কিন্তু হিৰণ্যবৰ্মাৰ সন্তুষ্টিৰ কাৰণে বিশেষ যত্নবান হ'ল। কাৰণ দ্ৰুপদৰাজ যুদ্ধ আদিৰ নামত ভীত হৈ আছিল। ইপিনে হিৰণ্যবৰ্মাই প্ৰতাৰণাৰ প্ৰতি-শোধ লবলৈ বিশাল সৈন্যবাহিনী সাজু কৰিলে। এই খবৰ পাই দ্ৰুপদৰাজ আৰু ৰাণীৰ মুখ কেহাৰাজ বটা যেন হ'ল আৰু শোকত অধীৰ হ'ল। উপায় নাপাই ৰজাই মন্ত্ৰীবৰ্গক হিৰণ্য-বৰ্মাৰ আক্ৰমণৰ বিৰুদ্ধে প্ৰতিৰক্ষাৰ ব্যৱস্থা কৰিবলৈ আদেশ দিলে।

এই সকলো ঘটনা জানি শিখণ্ডী ওৰফে শিখণ্ডিনী লাজত প্ৰাণত্যাগ কৰিবলৈ দৃঢ় সঙ্কল্প কৰি গভীৰ অৰণ্যলৈ যাত্ৰা কৰিলে। শিখণ্ডিনী যি অৰণ্যত উপস্থিত হ'ল, সেই অৰণ্য যক্ষ স্থূনাকৰ্ণৰ ৰক্ষিত। স্থূনাকৰ্ণ হ'ল কুবেৰৰ এজন বিশিষ্ট অনুচৰ। সেই অৰণ্যত তেওঁ এটা সুন্দৰ তোৰণযুক্ত বিশাল গৃহ নিৰ্মাণ কৰি বাস কৰি-ছিল। শিখণ্ডিনী সেই গৃহত প্ৰৱেশ কৰি অনাহাৰে প্ৰাণত্যাগ কৰাৰ সংকল্প কৰিলে। স্থূনাকৰ্ণই ম্ৰিয়মান শিখণ্ডিনীক দেখি দয়াপৰবশ হৈ উপবাসৰ কাৰণ সুধিলে। আনকি তেওঁৰ অভি-প্ৰায় পূৰণ কৰাৰ আশ্বাসো দিলে। কিন্তু শিখণ্ডিনীয়ে অসম্ভৱ কাম পূৰণ নহ'ব বুলি প্ৰাণ-ত্যাগৰ সংকল্প সদৰি কৰিলে। শিখণ্ডিনীৰ সকলো কথা জানি স্থূনাকৰ্ণই ক'লে যে তেওঁ কুবেৰৰ সেৱক আৰু বৰ প্ৰদান কৰাৰ ক্ষমতা তেওঁৰ আছে। তেতিয়া শিখণ্ডিনীয়ে হিৰণ্যবৰ্মাৰ ভাবুকিৰ কথা বিবৰি কৈ আক্ষেপ কৰিলে যে তেওঁৰ বাবে তেওঁৰ পুত্ৰহীন পিতৃৰ বিনাশ হ'ব। কাৰণ দশাৰ্ণৰাজে ইতিমধ্যে বিশাল বাহিনী লৈ যুদ্ধ যাত্ৰা কৰিছেই। গতিকে যক্ষই কৃপা কৰি হিৰণ্যবৰ্মা নিজ ৰাজ্যলৈ ফিৰি নোযোৱা পৰ্যন্ত শিখণ্ডিনীক পুৰুষ হোৱাৰ আশীৰ্বাদ দি কৃপা কৰিব পাৰে। যক্ষই ক'লে যে যদি শিখণ্ডিনীয়ে সত্য ৰক্ষা কৰি হিৰণ্যবৰ্মা ফিৰি যোৱাৰ পাছত তেওঁৰ পুৰুষত্ব ফিৰাই দিয়ে তেন্তে এই সময় ছোৱাত তেওঁ শিখণ্ডিনীৰ স্ত্ৰীত্ব ধাৰণ কৰি সহায় কৰিব। কিন্তু সমস্যা সমাধান হোৱাৰ পিছত পুনৰ নিজ নিজ চিহ্ন ধাৰণ কৰিব লাগিব। এইদৰে উভয়ে প্ৰতিজ্ঞাবদ্ধ হৈ এজনে আনজনৰ লিঙ্গ নিজ নিজ শৰীৰত ধাৰণ কৰিলে। যক্ষৰ পৰা এনে অপ্ৰত্যাশিতভাৱে উপকৃত হৈ শিখণ্ডী আনন্দিত হৈ নিজ ৰাজ্যলৈ ফিৰি গ'ল।

পাঞ্চাল ৰাজকুমাৰ (?) শিখণ্ডীয়ে ৰাজ্য পাই সকলো ঘটি যোৱা ঘটনা দ্ৰুপদৰাজক জনালে। ৰজা আৰু ৰাণীয়ে মহাদেৱৰ বৰ স্মৰণ কৰি আনন্দিত হ'ল। দ্ৰুপদৰাজে দশাৰ্ণৰ-ৰাজৰ ওচৰলৈ তুৰন্তে ব্ৰাহ্মণ দূত এজন পঠাই জনালে তেওঁৰ সন্তান শিখণ্ডী প্ৰকৃততে কুমাৰ। কোনো টুটকীয়া লোকে মিছা প্ৰচাৰ কৰি তেওঁ-লোকৰ মাজত বিভেদ ঘটাবৰ যত্ন কৰিছে। এই কথা যে সত্য তাকে দশাৰ্ণৰাজে পৰীক্ষা কৰি চাব লাগে। এই কথা শুনি হিৰণ্যবৰ্মাই প্ৰকৃত কথা জানিবলৈ ৰূপৱতী যুৱতীসকলক শিখণ্ডীৰ কাৰেঙলৈ পঠালে। যুৱতীসকলে

শিখণ্ডীৰ কাৰেঙত থাকি দশাৰ্ণৰৰাজক জনালে যে শিখণ্ডী প্ৰকৃততে পুৰুষ আৰু তেওঁ এজন মহানুভৱ ব্যক্তি। দশাৰ্ণৰৰাজে আচল কথা জানি নিজ কন্যাক ভৰ্ৎসনা কৰি সন্তুষ্ট মনেৰে দ্ৰুপদৰাজৰ পৰা বিদায় মাগিলে।

এই সময়ছোৱাৰ ভিতৰত নৰবাহন কুবেৰ ভ্ৰমণ কৰিবলৈ আহি দৈবক্ৰমে স্থূনাকৰ্ণৰ বাস-ভৱনত উপস্থিত হয়। যক্ষপতিৰ উপস্থিতিত সকলো যক্ষই উলহ-মালহেৰে তেওঁক সন্মান জনাই মনোৰঞ্জন কৰিলে। কিন্তু সেই আনন্দমুখৰ অনুষ্ঠানলৈ স্থূনাকৰ্ণ নহাত যক্ষপতিয়ে তেওঁক খং কৰি মাতি পঠালে। যক্ষসমূহে ভয়ে ভয়ে স্থূনাকৰ্ণ আৰু শিখণ্ডীৰ পুৰুষ আৰু স্ত্ৰী চিহ্ন বিনিময় কৰা সমুদায় কথা বিৱৰি ক'লে আৰু এইকথাও জনালে যে স্ত্ৰীৰূপলোৱা বাবে তেওঁ লাজতে তেখেতৰ ওচৰ চপা নাই। এই খবৰ শুনি যক্ষপতিয়ে ক্ৰোধান্বিত হৈ স্থূনাকৰ্ণক তেওঁৰ ওচৰলৈ মাতি অনালে আৰু নিজ দুৰ্বুদ্ধিত অব্যৱহাৰিক কৰ্ম অনুষ্ঠান কৰাৰ ফলস্বৰূপে সেই মুহূৰ্তৰ পৰা তাক (স্থূনাকৰ্ণক) স্ত্ৰী হৈ থাকিবলৈ অভিশাপ দিলে। কিন্তু স্থূনাকৰ্ণৰ লগৰ যক্ষবিলাকৰ শাপমোচনৰ বাবে কৰা কাতৰ প্ৰাৰ্থনাত অৱশেষত কুবেৰে ক'লে যে শিখণ্ডীৰ মৃত্যুৰ পাছতহে স্থূনাকৰ্ণই পুনৰ নিজৰ পুৰুষত্ব লাভ কৰিব। ইয়াৰ পিছত কুবেৰ নিজস্থানলৈ গুচি গ'ল।

হিৰণ্যবৰ্মা ফিৰি যোৱাৰ পাছত শিখণ্ডীৰ সমস্যা সমাধান হ'ল। চুক্তিমতে তেওঁ অভিশপ্ত স্থূনাকৰ্ণৰ ওচৰলৈ ফিৰি আহিল। শিখণ্ডীৰ সততা দেখি স্থূনাকৰ্ণ অতিশয় সন্তুষ্ট হ'ল আৰু কুবেৰৰ আগমনত সংঘটিত সকলো বৃত্তান্ত লগতে অভিসম্পাতৰ কথা শিখণ্ডীৰ আগত সদৰি কৰিলে। স্থূনাকৰ্ণই এইবুলিও ক'লে যে পূৰ্বৰ দৈৱনিৰন্ধনৰ মতেই সকলো ঘটনা ঘটিছে। গতিকে ইয়াৰ পাছত শিখণ্ডী দ্ৰুপদ ৰজাৰ পুত্ৰহিচাপে আনন্দ মনেৰে বিচৰণ কৰিব পাৰে। সেইমতে শিখণ্ডী আনন্দেৰে নিজ পাঞ্চাল ৰাজ্যলৈ ফিৰি আহি দ্ৰুপদৰজাক সবিশেষ ব্যক্ত কৰিলে। মনোবাঞ্ছা পূৰ্ণ হোৱাত পাঞ্চাল ৰাজে দেৱতা, ব্ৰাহ্মণ আদিক পূজা অৰ্চনা কৰিলে আৰু আনন্দমনে থাকিল।

শিখণ্ডীয়ে পাঞ্চালৰাজ পুত্ৰ হিচাপে কুৰুক্ষেত্ৰ মহাসমৰত ৰথীশ্ৰেষ্ঠ হৈ আত্মীয় পাণ্ডৱসকলৰ মহৎ হিতকাৰ্য সম্পাদন কৰিবলৈ সম্পাদন কৰিবলৈ সক্ষম হ'ল। শিখণ্ডীৰ বীৰত্ব আৰু অস্ত্ৰ প্ৰয়োগ আদি গুণৰ বাবে ভীমসেনে শিখণ্ডীৰ নামকে সেনাপতি পদৰ বাবে প্ৰস্তাৱ কৰিছিল। অৱশ্যে শ্ৰীকৃষ্ণৰ উপদেশ মতে শিখণ্ডীৰ ভাতৃ শত্ৰুদমন-কাৰী ধৃষ্টদ্যুম্নকে সেনাপতি পদত অধিষ্ঠিত কৰা হৈছিল। আনপিনে কৌৰৱ পক্ষত পৰশুৰাম বিজয়ী পিতামহ ভীষ্মক সেনাপতি বৰণ কৰাত ভীষ্মই প্ৰতিদিনে দহ হাজাৰ পাণ্ডৱপক্ষৰ সেনা নিহত কৰাৰ প্ৰতিশ্ৰুতি দিছিল আৰু সেইমতে কাৰ্যও কৰিছিল। কিন্তু ভীষ্মই স্ত্ৰী অথবা আগেয়ে স্ত্ৰীৰূপধাৰী কোনো লোকক অস্ত্ৰাঘাত নকৰাৰ সিদ্ধান্ত জনাইছিল। সেইবাবে তেওঁ শিখণ্ডীৰ লগত যুদ্ধ নকৰাৰ কথাও ব্যক্ত কৰিছিল।

কুৰুক্ষেত্ৰৰ দশম দিনৰ যুদ্ধত ভীষ্মই জুয়ে পোৰা হাবিৰদৰে পাণ্ডৱ সৈন্য দহন কৰিছিল। লগতে শিখণ্ডীৰ ৰথাৰোহী সৈন্যবোৰক এফালৰ পৰা ধ্বংস কৰিছিল। তেতিয়া শিখণ্ডী সংহাৰ-কামী যমৰদৰে ভীষ্মৰ বুকুলৈ শৰ নিক্ষেপ কৰিছিল। শিখণ্ডীৰ অস্ত্ৰাঘাত সহ্য কৰিও ভীষ্মই বিধাতাৰ সৃষ্টি শিখণ্ডীক আঘাত কৰা নাছিল। শিখণ্ডীয়ে বাক্যবাণেৰে ভীষ্মক সেই ভীষণ যুদ্ধত জৰ্জৰিত কৰি অৰ্জুনৰ দ্বাৰা ৰক্ষিত হৈ ব্ৰহ্মবিদ্ সকলৰ ভিতৰত শ্ৰেষ্ঠ ভীষ্মক বধ কৰি যুদ্ধৰ গতি সলনি কৰি দিছিল।

আমাৰ আলোচনাৰ বাবে প্ৰয়োজনীয় শিখণ্ডী সম্বলিত কাহিনীৰ এইছোৱাই নপুংসক বুলি কোনো কোনোৱে ভুল কৰা শিখণ্ডী চৰিত্ৰটো আধুনিক চিকিৎসা বিজ্ঞানে সম্ভৱ কৰি তোলা যৌনাঙ্গ পৰিৱৰ্ত্তনৰ পটভূমিত বিচাৰ কৰি চোৱাৰ অৱকাশ আজি হয়তো আনি দিছে।

'ভাই ! সময় বুজি আহিবা এদিন, ফু-মাৰি চোতালত লগে ভাগে খাম দুখৰ ধানৰ এসাজ ভাত।'

— হীৰেন ভট্টাচাৰ্য।

# ভাৰতীয় জাতীয় আন্দোলনত চৰমপন্থীৰ ভূমিকা

দ্বিজেন দাস
মুৰব্বী অধ্যাপক, ইতিহাস বিভাগ

১৮৮৫ চনৰ পৰা ১৯০৫ চনলৈ এই দুই দশক কাল ভাৰতীয় জাতীয় কংগ্ৰেছত প্ৰভাৱ বিস্তাৰ কৰিছিল ফিৰোজচাহ মেহতা, গোপাল কৃষ্ণ গোখলে, মদনমোহন মালব্য, সুৰেন্দ্ৰ নাথ বেনাৰ্জী, দাদাভাই নৌৰজী আদি নৰমপন্থী নেতাসকলে। পশ্চিমীয়া শিক্ষা আৰু গণতান্ত্ৰিক প্ৰমূল্যৰ দ্বাৰা দীক্ষিত হোৱা এই মধ্যবিত্ত শ্ৰেণীৰ নেতাসকলে নিজস্ব শ্ৰেণী স্বাৰ্থৰ দ্বাৰা প্ৰভাৱিত আছিল আৰু বৃটিছৰ ওচৰত তেওঁলোকে দাখিল কৰা দাবী সেই স্বাৰ্থৰ মাজত আৱদ্ধ আছিল। সেয়ে ১৮৮৫ চনৰ পৰা ১৯০৫ চনৰ ভিতৰত বৃটিছৰ ওচৰত নৰমপন্থীসকলে দাখিল কৰা প্ৰস্তাৱ আৰু দাবীসমূহৰ দ্বাৰা নেতাসকলৰ চৰিত্ৰ আৰু কংগ্ৰেছৰ কৰ্মপদ্ধতি ঠাৱৰ কৰিব পাৰি। উনৈশ শতিকাৰ শেহ দশকত চলা স্বাধীনতা আন্দোলনক তিনিটা স্তৰত বিভক্ত কৰি নৰমপন্থী নেতাসকলৰ কৰ্মপদ্ধতি আলোচনা কৰিব পাৰি। প্ৰথম স্তৰত তেওঁলোকে উপনিবেশীয় সাংবিধানিক গাঁথনি পৰিৱৰ্তন কৰি প্ৰশাসনীয় যন্ত্ৰত অধিক সংখ্যক ভাৰতীয় মানুহক অংশ গ্ৰহণ কৰাৰ সুবিধা প্ৰদান কৰা। দ্বিতীয় স্তৰত ইংলেণ্ড আৰু ভাৰতত আই, চি, এচ পৰীক্ষা একে সময়ত অনুষ্ঠিত কৰা, ষ্ট্যাটুটাৰী চিভিল চাৰ্ভিচৰ নিয়ম-নীতিৰ সংশোধন কৰা আৰু নিযুক্তিৰ ক্ষেত্ৰত বয়সৰ সীমা ২৩ বছৰলৈ বৃদ্ধি কৰা ইত্যাদি। তৃতীয় স্তৰত ভাৰতীয় অৰ্থনৈতিক অৱস্থা শক্তিশালী কৰাৰ বাবে কৃষি আৰু কুটিৰ শিল্পৰ ওপৰত গুৰুত্ব প্ৰদান কৰিবলৈ বৃটিছৰ ওচৰত দাবী তোলা। এই প্ৰসঙ্গত উল্লেখ কৰা ভাল যে নৰমপন্থী নেতাসকল জীৱিকাত আছিল আইনজীৱী। সেয়ে স্বাভাৱিকতে তেওঁলোকৰ আলোচনা বেছি ক্ষেত্ৰত কেন্দ্ৰীভূত হৈছিল আইন আৰু আইন সংক্ৰান্ত বিষয়ত। লাহে লাহে ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক কাৰণত ভাৰতবৰ্ষৰ ৰাজনৈতিক অৱস্থাত দ্ৰুত পৰিৱৰ্তনৰ সূচনা হৈছিল। ফলস্বৰূপে নৰমপন্থী নেতাসকলে কংগ্ৰেছৰ মঞ্চত প্ৰৱল সমালোচনা আৰু প্ৰত্যাহ্বানৰ সন্মুখীন হয় বিশেষকৈ কংগ্ৰেছৰ যুৱশক্তিৰ পৰা। এই যুৱশক্তিটোকে কোৱা হয় চৰমপন্থী বুলি। নৰমপন্থীৰ আবেদন-নিবেদনমূলক নীতি, উপনিবেশীয় শোষণ আৰু নিৰ্যাতন, আৰ্থিক অৱস্থাৰ চৰম অৱনতি, বৈদিক সংস্কৃতি আৰু ভাৰতীয়ত্বৰ প্ৰতি আগ্ৰহ আৰু বংগ-ভংগ আন্দোলন আদি কাৰণতে ভাৰতীয় ৰাজনীতিত চৰমপন্থীৰ বিকাশ ঘটে। চৰমপন্থীৰ ৰাজনীতিয়ে ভাৰতীয় ইতিহাসত কেনেকুৱা

প্ৰতিক্ৰিয়াৰ সূচনা কৰিছিল ইয়াত সেই বিষয়ে আলোচনা কৰা হ'ব।

১৮৫৭ চনৰ মহাবিদ্ৰোহৰ পাছৰ পৰা ভাৰতীয় সামাজিক, ৰাজনৈতিক আৰু ধৰ্মীয় অৱস্থাৰ গভীৰ আৰু তাৎপৰ্যপূৰ্ণ পৰিৱৰ্তনৰ সূচনা হয়। পশ্চিমীয়া শিক্ষাৰে শিক্ষিত হ'লেও ভাৰতীয় ধৰ্মীয় ঐতিহ্যই ভাৰতীয় শিক্ষিত মধ্যবিত্ত শ্ৰেণীটোৰ মানসিকতাত ৰেখাপাত কৰিছিল। সেয়ে তেওঁলোক আছিল দুটা সংস্কৃতিৰ সন্তান। ৰামমোহন ৰায়ৰ পৰা অৰবিন্দলৈ পশ্চিমীয়া প্ৰমূল্যৰ দ্বাৰা প্ৰভাৱিত হোৱা শ্ৰেণীটো ভাৰতীয় সভ্যতা-সংস্কৃতিৰ প্ৰতি প্ৰৱলভাৱে আকৰ্ষিত হৈছিল আৰু ধৰ্মৰ মাজত নিজৰ identity and unity গঢ়ি তুলিব বিচাৰিছিল। সেই সময়ৰ পটভূমিৰ আধাৰত ৰামমোহন, দয়ানন্দ, বিবেকানন্দই কঠোৰ অধ্যৱসায় আৰু কষ্টসাধ্য অনুশীলনৰ দ্বাৰা বেদ, উপনিষদ সংস্কৃত ব্যাকৰণ অধ্যয়ন কৰি ভাৰতৰ ঐতিহ্য-সাগৰৰ পৰা মহিমামণ্ডিত ৰত্নসমূহৰ পুনৰ পোহৰলৈ আনে। এই ৰত্নসমূহৰ আধাৰত মৃতপ্ৰায় ভাৰতীয় সমাজখনক বলিষ্ঠ ৰূপত দাঙি ধৰিবলৈ তেওঁলোকে যত্ন কৰে। ফলস্বৰূপে ভাৰতীয় সমাজত নতুন চেতনাৰ সূত্ৰপাত হয়। প্ৰগতিশীল আৰু প্ৰতিক্ৰিয়াশীল মূল্যবোধৰ প্ৰতি বিশেষ সতৰ্ক হোৱা নাছিল বাবে ধৰ্মাশ্ৰিত চেতনাৰ মাজত নিজস্ব পৰিচয় ( identity ) দাঙি ধৰিবলৈ হিন্দুধৰ্মৰ প্ৰতি তেওঁলোক আকৃষ্ট হয়। এইখিনিতে তথাকথিত ভাৰতীয় ৰেনেসাঁৰ লগত ইউৰোপীয় ৰেনেসাঁৰ মিল দেখা যায়। অতীত আৰু বৰ্তমান, ইহলোক আৰু পৰলোক, অৰ্থ আৰু পৰমাৰ্থ, মানৱ আৰু ঈশ্বৰ আদিৰ মাজত ভাৰতীয় স্বকীয় বৈশিষ্ট্যেৰে সমন্বয় গঢ়ি তুলি এখনি সমৃদ্ধিশালী ভাৰত গঢ়ি তোলাৰ স্বপ্ন দেখিছিল সমসাময়িক ভাৰতীয় চিন্তাবিদসকলে। ফলত ভাৰতীয় সমাজ জীৱনৰ সংস্কাৰ সাধন কৰা তথা নতুন ৰূপত দাঙি ধৰাৰ এক নতুন চেতনাৰ স্ৰোত প্ৰৱাহিত হ'বলৈ ধৰে। এই ক্ষেত্ৰত ব্ৰাহ্মসমাজ, আৰ্যসমাজ, প্ৰাৰ্থনাসমাজ, Rajahmudri Social Reform, A Hindu Social Reform Association আদিৰ ভূমিকা অন্যতম। এই সময়ত কংগ্ৰেছৰ বাৰ্ষিক সন্মিলনৰ খলিত ৰাণাডেৰ নেতৃত্বত জাতীয় সংস্কাৰ সভা ( National social conference ) অনুষ্ঠিত হয়। ১৮৯৩ চনত আমেৰিকাৰ চিকাগো চহৰত অনুষ্ঠিত হোৱা বিশ্বধৰ্ম সভাত ( The parliament of religion ) স্বামী বিবেকানন্দই ভাৰতৰ প্ৰতিনিধিত্ব কৰিছিল। ধৰ্মসভাত তেওঁ ভাৰতীয় ধৰ্ম আৰু উপনিষদৰ গভীৰ ব্যাখ্যা দাঙি ধৰি বিশ্বক চমকিত কৰি তোলে আৰু ভাৰতৰ বাবে কঢ়িয়াই আনে গৌৰৱ আৰু জাতীয় চেতনা। "There was an enthusiasm, an awakening, which justly may be called the religious component of the spectrum of nationalism" (Renaissance in Bengal : Search for identity —A Podder, page, 95 )। লক্ষণীয় দিশ হ'ল বৰ্তমানৰ পৰা অতীতলৈ পৰিভ্ৰমণ আৰু অতীতৰ পৰা বৰ্তমানলৈ প্ৰত্যাৱৰ্তনে

বিবেকানন্দৰ মানসত দুখন পৰস্পৰ বিৰোধী চিত্ৰ তুলি ধৰিছিল। এখনত প্ৰাচীন ভাৰতৰ গৌৰৱময় ঐতিহ্যৰ ছবি আৰু আনখন পৰাধীন ভাৰতৰ দৰিদ্ৰতা আৰু অধঃপতনৰ। আৰ্তজনৰ প্ৰতি বিবেকানন্দৰ সীমাহীন সমতা আৰু করুণাত অন্তৰ উঠলি উঠিছিল। কিন্তু ভাৰতবৰ্ষৰ পৰা দৰিদ্ৰতা দূৰীকৰণৰ ক্ষেত্ৰত বিবেকানন্দই বিশেষ ফলপ্ৰসূ আঁচনি গ্ৰহণ কৰিবলৈ ব্যৰ্থ হয় বুলি ক'ব পাৰি। তথাপি বিবেকানন্দৰ ধৰ্মমিশ্ৰিত জাতীয়তাবাদে চৰমপন্থীসকলক গভীৰভাৱে প্ৰভাৱান্বিত কৰে। ভাৰতীয় সমাজখনক গভীৰভাৱে প্ৰভাবন্বিত কৰা আন এটা অনুষ্ঠান হ'ল দয়ানন্দৰ আৰ্যসমাজ। হিন্দুধৰ্মৰ কুসংস্কাৰ আৰু অন্ধবিশ্বাস সংশোধন কৰি ভাৰতীয় সমাজখনক প্ৰাচীন মূল্যবোধৰ আধাৰত গঢ় দিবলৈ আৰ্যসমাজৰ মাজেদি দয়ানন্দই প্ৰয়াস কৰে। এই চেতনাৰ স্ৰোতে ভাৰতীয় যুৱমানসিকতাত জন্ম দিয়ে নতুন চেতনা। সেয়ে প্ৰাচীন ভাৰতীয় ঐতিহ্যৰ মাজত নিজৰ ব্যক্তিত্বৰ পৰিচয় দাঙি ধৰিবলৈ তেওঁলোকে যত্নপৰ হয়। এইদৰে ভাৰতীয় ৰাজনীতিত revivalism ৰ প্ৰভাৱ গা কৰি উঠে আৰু জাতীয়তাবাদৰ লগত ধৰ্মৰ সংমিশ্ৰন ঘটে। এই প্ৰসঙ্গত অধ্যাপক "সুমিত চৰকাৰে এটি সুন্দৰ উক্তি কৰিছে – "The specific goals of the social reformers were thus absorbed into a dominant pan--Hindu revivalist frame work" (Modern India 1885—1947, page 74)। এনেকুৱা এটা সামাজিক পটভূমিৰ ফলত ভাৰতীয় জাতীয় কংগ্ৰেছৰ ৰাজনীতিত কেনেকুৱা প্ৰভাৱ পৰিছিল আৰু এই প্ৰভাৱে সমাজ আৰু ৰাজনীতিত কিদৰে ক্ৰিয়া কৰিছিল; আলোচ্য প্ৰৱন্ধত সংক্ষিপ্তভাৱে আলোচনা কৰা হ'ব।

সংস্কাৰ আন্দোলনৰ প্ৰভাৱ আৰু কিছুমান ঐতিহাসিক কাৰণত কংগ্ৰেছৰ যুৱশক্তিটোৱে reform ৰ পৰা revolution লৈ গতি কৰিবলৈ ধৰে। যুৱশক্তিৰ ত্ৰি-মূৰ্তি বিপিন চন্দ্ৰ, তিলক আৰু লালা লাজপৎ ৰায়ৰ নেতৃত্বত চৰমপন্থীসকলে আবেদন-নিবেদন মূলক নীতি পৰিহাৰ কৰি বৃটিছৰ বিৰুদ্ধে শক্তিশালী নীতি গ্ৰহণ কৰিবলৈ কংগ্ৰেছৰ মঞ্চত দাবী তোলে। ১৯০৫ চনৰ বঙ্গ বিভাজনে নৰমপন্থী আৰু চৰমপন্থীসকলৰ মাজত প্ৰচণ্ড বিবাদৰ সৃষ্টি কৰে। এই বিতৰ্কৰ শেষ পৰিণতি হ'ল কংগ্ৰেছৰ প্ৰথম বিভাজন। "If (বঙ্গ বিভাজন) evoked an unprecedented wave of protests which unleashed the swadeshi and boycott movement and harboured the formation of the new party in the Co gress" (Moder tes and extremist in the Indian natienal movement" by Daniol Argov page 109)। উত্তপ্ত পৰিস্থিতিৰ মাজত ১৯০৫ চনত বেনাৰসত কংগ্ৰেছৰ অধিবেশন অনুষ্ঠিত হয়। বঙ্গ বিভাজনে 'বয়কট', 'স্বৰাজ' আদি বিষয়লৈ নৰমপন্থী আৰু চৰমপন্থীৰ মাজত তীব্ৰ বাদানুবাদৰ সৃষ্টি কৰে। এনে অৱস্থাত কংগ্ৰেছৰ মাজত একতা ৰক্ষাৰ বাবে গোপালকৃষ্ণ গোখলেক সভাপতি পতা হয়।

ইপিনে বঙ্গ বিভাজন বিৰোধী আন্দোলনৰ উত্তাল তৰংগই ৰাজনীতি মঞ্চত জোকাৰণি তোলে। ২২তম্ কংগ্ৰেছৰ অধিবেশনৰ মুহূৰ্তত অৰবিন্দই এইদৰে লিখিছিল— "The English educated Indians have become slaves to the feringhis …… the management of the Congress must be wrested from the hands of the demi ferlnghis." ১৯০৬ চনত চুৰাট কংগ্ৰেছত পুনৰ একে অৱস্থাৰ সূত্ৰপাত হয়। বিশেষকৈ সভাপতি পদৰ বাবে তিলকে প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হোৱাত অৱস্থাৰ আৰু অৱনতি ঘটে। কিন্তু বৃদ্ধ দাদাজী নোৱাজীক সভাপতি পাতি অৱস্থাৰ অৱনতি ৰোধ কৰা হয়। চৰমপন্থী আৰু নৰমপন্থীৰ মাজত মতভেদৰ সূত্ৰপাত হয় 'বয়কট' আৰু 'স্বৰাজ' শব্দৰ ব্যাখ্যাৰ প্ৰশ্নলৈ। নৰমপন্থী নেতা সুৰেন্দ্ৰ নাথ বেনাৰ্জী, মদন মোহন মালব্য, ফিৰোজচাহ মেহতা আদিয়ে 'বয়কট'ৰ প্ৰয়োগ মাত্ৰ বংগ দেশৰ মাজত আৱদ্ধ ৰাখিব বিচাৰে। আনহাতে তিলক, বিপিন চন্দ্ৰ, অৰবিন্দ আদিয়ে কংগ্ৰেছৰ দ্বাৰা 'Universal economic and political boycott'ৰ দাবী তুলিছিল। এইদৰে দুয়োটা দলৰ মাজত পৰস্পৰ বিৰোধী দাবীয়ে কংগ্ৰেছৰ প্ৰথম বিভাজনৰ সূত্ৰপাত কৰে আৰু কংগ্ৰেছ দল নৰমপন্থী আৰু চৰমপন্থীৰ দলত বিভক্ত হয়। নৰমপন্থী দলত থাকি গ'ল সুৰেন্দ্ৰ নাথ, ফিৰোজচাহ, মদন মোহন মালব্য আদি ব্যক্তি আৰু আনহাতে তিলক, বিপিন চন্দ্ৰ, অৰবিন্দ, লালা-লাজপৎ ৰায় আদিয়ে চৰমপন্থী দলৰ নেতৃত্ব দিলে। এতিয়া এই বিভাজনে ভাৰতবৰ্ষৰ ৰাজনীতিত কেনেকুৱা প্ৰভাৱ পেলালে তাক আলোচনা কৰাৰ প্ৰয়াস কৰা হ'ব।

বংগ বিভাজন বিৰোধী আন্দোলনৰ উত্তাল তৰঙ্গৰ মাজত চৰমপন্থীৰ নেতৃত্বত চলা কংগ্ৰেছৰ পঞ্চবিংশ অধিবেশনত বৃটিছৰ পণ্যদ্ৰব্য বৰ্জন কংগ্ৰেছৰ অন্যতম আদৰ্শ হিচাপে গ্ৰহণ কৰা হয়। সংস্কাৰ আন্দোলনৰ দ্বাৰা প্ৰভাৱান্বিত, পশ্চিমীয়া শিক্ষা আৰু সভ্যতাৰ প্ৰতি বীতশ্ৰদ্ধ হোৱা আৰু প্ৰাচীন ভাৰতীয় সভ্যতা আৰু ধৰ্মীয় ঐতিহ্যৰ মাজত নিজৰ ব্যক্তিত্বৰ সন্ধানত ব্ৰতী হোৱা ভাৰতীয় মধ্যবিত্ত শিক্ষিত শ্ৰেণীটোৱে বংগ বিভাজন বিৰোধী আৰু স্বদেশী আন্দোলনত জপিয়াই পৰে। স্বদেশী যুগত স্বদেশী ভাৱ ধাৰাৰ প্ৰভাৱত Hindu revivalism আৰু অধিকভাৱে শক্তিশালী হয়। ফলত এই আন্দোলনটো হৈ পৰিল 'romantie, mystical, aggressive riddled with fallacies but sound to restore self respect of the middle class.' জাতীয়তাবাদৰ লগত ধৰ্মীয় প্ৰমূল্য মিহলি হোৱাৰ ফলত ভাৰতীয় জাতীয়তাবাদৰ প্ৰকৃত সত্তা বাধাপ্ৰাপ্ত হয়। বেদ আৰু বেদৰ যুগৰ অধ্যয়ন, কালীপূজা, কালি মূৰ্তিৰ আগত শপত গ্ৰহণ আদি ব্যাপক ভাবে প্ৰচলন হয়। শিৱাজী উৎসৱ, ৰাণাপ্ৰতাপ উৎসৱ, হিন্দু মেলা আদিও জাকজমকতাৰে বিভিন্ন ঠাইত অনুষ্ঠিত হ'বলৈ ধৰে। বঙ্কিমচন্দ্ৰৰ 'বন্দে মাতৰম' গীতটোৱে যুৱশক্তিৰ অনুপ্ৰেৰণাৰ উৎস আছিল।

সেয়ে পূব বংগ আৰু অসমৰ লেফটেন্যাণ্ট গৱৰ্ণৰ ব্যামফিল্ড ফুলাৰে অসম আৰু বংগত 'বন্দে মাতৰম' গীত গোৱা নিষিদ্ধ কৰি দিছিল। ভাবিলে আচৰিত হ'ব লাগে যে তিলক, অৰবিন্দ আদিৰ দৰে প্ৰখৰ বুদ্ধিজীৱীও quasi-religious appeal ৰ দ্বাৰা ভাৰতীয় জাতীয়তাবাদে পূৰ্ণাঙ্গ ৰূপ লাভ কৰিব বুলি গভীৰ ভাৱে প্ৰত্যয় গৈছিল। বংগদেশৰ আৰ্হিত তিলক আৰু লালালাজপৎ ৰায়ে মহাৰাষ্ট্ৰ আৰু পঞ্জাৱত অনুৰূপ আন্দোলন গঢ়ি তুলিছিল। কিন্তু মধ্যবিত্ত বুদ্ধিজীৱীসকলে সাধাৰণ মানুহখিনিৰ লগত আত্মীয়তা স্থাপন কৰাত ব্যৰ্থ হৈছিল। এই অভিযোগ নৰম পন্থী আৰু চৰম পন্থী দুয়োটা দলৰ ক্ষেত্ৰত প্ৰযোজ্য। ভাৰত বৰ্ষত ৰাজনৈতিক গতিধাৰাৰ পৰিৱৰ্তনৰ লগে লগে হিন্দুৰ দৰে মুছলমানৰ উচ্চজাত শ্ৰেণী-টোৱে ধৰ্মীয় চেতনাৰ মাজেদি নিজৰ অস্তিত্ব সুৰক্ষা কৰিবলৈ তৎপৰ হয়। এই প্ৰৱণতাৰ সূচনা হৈছিল উত্তৰ প্ৰদেশৰ জমিদাৰ আৰু চাকৰিজীৱী শ্ৰেণীটোৰ সমৰ্থন পুষ্ট চাৰ চৈয়দ আহমেদৰ নেতৃত্বত চলা আলিগড় আন্দোলনৰ সময়ৰ পৰা। এইদৰে হিন্দু আৰু মুছলমান উচ্চ শ্ৰেণীটোৰ মাজত ৰাজনীতি, ব্যৱসায়, চাকৰি আদিৰ ক্ষেত্ৰত তীব্ৰ প্ৰতিদ্বন্দ্বিতাৰ সূত্ৰপাত হয়। সাহিত্যৰ মাধ্যমত জাতীয় গৌৰৱ বৰ্দ্ধন কৰিবলৈ বঙ্কিম চন্দ্ৰই উপন্যাসৰ মাজেদি চেষ্টা কৰিছিল। তেওঁৰ উপন্যাস সমূহ হিন্দু ধৰ্মৰ ঐতিহ্যৰ প্ৰভাৱৰ দ্বাৰা পৰিপুষ্ট হ'লেও নাইবা তেওঁৰ লেখনিত হিন্দুত্বৰ প্ৰভাৱ বিদ্যমান থাকিলেও বহুতে ভবাৰ দৰে বঙ্কিম চন্দ্ৰক সাম্প্ৰদায়িক বুলি ক'ব নোৱাৰি। "Bankim's quest for identity took him to harbour of the past and he made an attempt, imaginatively through his novels, to establish the Hindu kingdom as a prelude to mould in the light future of India" (Renaissance of Bengal : A search for identity (page—67) By A. Poddar) স্বদেশী যুগত হিন্দু ঐতিহ্যৰ প্ৰচাৰ, আৰ্য সমাজৰ আক্ৰমণাত্মক ভূমিকা, Cow protection issue, sc.ipt controversy, মুছলমান উচ্চজাত শ্ৰেণীটোৰ নিজস্ব স্বাৰ্থ পূৰণৰ প্ৰয়াস, বৃটিছৰ কূট কৌশল আদি কাৰণত হিন্দু আৰু মুছলমানৰ মাজত ভাঙোনৰ সূচনা হয় আৰু ৰাজনীতি মঞ্চত মুছলমান সকলে Separate entity হিচাপে নিজৰ পৰিচয় দাঙি ধৰিবলৈ আৰম্ভ কৰে। তাৰ উপৰিও উপনিবেশীয় সাংবিধানিক সংস্কাৰৰ ফলত উদ্ভৱ হোৱা নিৰ্বাচন পদ্ধতিয়ে হিন্দুসকলৰ ৰাজনৈতিক আধিপত্য প্ৰতিষ্ঠিত হ'ব পাৰে বুলি মুছলমানৰ উচ্চ মধ্যবিত্ত শ্ৰেণীটোৱে শংকিত পৰে। সেয়ে মুছলমান সকলৰ মাজত দেখা বিভাজনমুখী প্ৰৱণতা একমাত্ৰ অনগ্ৰসৰতাৰ (backwardness) বাবে উদ্ভৱ হোৱা বুলি ক'ব নোৱাৰি। আচলতে হিন্দু-মুছলমানৰ উচ্চ জাত শ্ৰেণী দুটাৰ মাজত স্বাৰ্থৰ সংঘাতে ভাৰতীয় ৰাজনীতিত আঞ্চলিক বা সাম্প্ৰদায়িক ৰাজনীতিৰ দিক্ নিৰ্ণয় কৰা বুলি ধৰিব পাৰি। বৃটিছৰ ভূমি নীতিৰ ফলত পূৰ্ববংগৰ বেছিভাগ মাটি

হিন্দু জমিদাৰ সকলৰ হাতত আছিল। ৰায়ত বিলাক আছিল দৰিদ্ৰ মুছলমান। হিন্দু জমিদাৰ সকলৰ নিৰ্মম শোষণৰ বলি হোৱা সাধাৰণ মুছলমান সকলৰ লগত সেয়ে Common national Sentiment গঢ়ি তোলা অসুবিধা-জনক হৈ পৰিছিল। জাতীয়তাবাদৰ লগত হিন্দু ধৰ্মৰ প্ৰভাৱ সংমিশ্ৰণ হোৱাত সুযোগ সন্ধানী বৃটিছ সাম্ৰাজ্যবাদৰ প্ৰতিভূ কাৰ্জনে বংগ বিভাজনৰ আঁচনি বাস্তৱত ৰূপায়িত কৰাৰ বাবে মুছলমানৰ মাজত সাম্প্ৰদায়িক প্ৰৰোচনামূলক প্ৰচাৰ কাৰ্য চলায়। গোড়া মৌলবী আৰু মোল্লা সকলৰ বন্ধু ঢাকাৰ নবাৰ সামিউল্লাক হাত কৰাৰ বাবে কাৰ্জনে পৰিকল্পনা হাতত লয় আৰু চৰকাৰীভাৱে নবাবক ১৪ লাখ টকা অনুদান দিয়ে। তদুপৰি, বংগ বিভাজনৰ পাছত নতুন প্ৰশাসনীয় যন্ত্ৰত উপযুক্ত সংখ্যক মুছলমানক চাকৰি দিয়াৰ প্ৰতিশ্ৰুতি দিয়ে। এইদৰে উচ্চজাত মুছলমান শ্ৰেণীটোক স্বদেশী আন্দোলনৰ বিৰোধিতা কৰিবলৈ প্ৰলুব্ধ কৰে। সাম্ৰাজ্যবাদীৰ প্ৰচাৰ আৰু প্ৰৰোচনামূলক কাৰ্য-কলাপৰ বিপৰীত জাতীয়তাবাদী নেতাসকলে বিশেষ ফলপ্ৰসূ আঁচনি বা আত্ম সমালোচনা দাঙি ধৰাত সম্পূৰ্ণভাৱে ব্যৰ্থ হয়। এই প্ৰসঙ্গত ৰবীন্দ্ৰনাথৰ সাৱধানবাণী বিশেষ প্ৰণিধানযোগ্য। তেওঁ কৈছিল, শনি ছিদ্ৰ নাপালে প্ৰৱেশ কৰিব নোৱাৰে। সেয়ে শনিতকৈ ছিদ্ৰ সম্বন্ধে সাৱধান হোৱা উচিত। কিন্তু সময় মতিক আমাৰ জাতীয়তাবাদী নেতাসকলে আবেগৰ আতিশয্যত বাস্তৱ পৰিস্থিতিৰ আধাৰত নিজৰ চিন্তাধাৰাৰ আত্ম সমালোচনা কৰাত ব্যৰ্থ হ'ল। সেয়ে ৰাজনীতি আৰু সামাজিক জীৱনত 'শনি'ৰ প্ৰৱেশত বাধা দিয়াত তেওঁলোক ব্যৰ্থ হয়। সেই ব্যৰ্থতাৰ সম্পূৰ্ণ সুযোগ সাম্ৰাজ্যবাদীয়ে গ্ৰহণ কৰে আৰু ফলস্বৰূপে ভাৰতীয় জীৱনলৈ নামি আহে ইতিহাসৰ নিৰ্মম অভিশাপ।

বিংশ শতাব্দীৰ দ্বিতীয় দশকৰ পৰা ভাৰতীয় ৰাজনীতিৰ অভাৱনীয় পৰিবৰ্তন প্ৰক্ৰিয়াৰ সূচনা হয়। সাম্ৰাজ্যবাদী বাঘ নখৰ আঁচোৰত চৰমপন্থীৰ ৰাজনৈতিক কৌশল অসহায় আৰু অকাৰ্য-কাৰী হৈ পৰে। ফলস্বৰূপে চৰমপন্থীৰ ৰণ কৌশল ব্যক্তিগত সন্ত্ৰাসবাদলৈ (individual terrorism) ৰূপান্তৰিত হয়। এই সময়ছোৱাত চৰমপন্থীৰ অনুগামীসকলে দেশপ্ৰেম আৰু আত্ম-ত্যাগৰ অসাধাৰণ আদৰ্শৰ চানেকি দাঙি ধৰে আৰু জনসাধাৰণৰ চকুত তেওঁলোকে মৰ্যাদাপূৰ্ণ স্থান লাভ কৰে। সেইকাৰণে আজিও সন্ত্ৰাস-বাদ আৰু সন্ত্ৰাসবাদী কাৰ্য-কলাপ লোকচক্ষুত ঘৃণনীয় হৈ উঠা নাই। কিছুমান অৱধাৰিত ঐতিহাসিত কাৰণ, ভাৰতীয় পুঁজিবাদী শ্ৰেণীটোৰ লগত সাম্ৰাজ্যবাদীৰ হলিগলি, চৰমপন্থী নেতা-সকলৰ split personality and psycho-logical dualism আদিয়ে চৰমপন্থীসকলৰ militancy ক স্তিমিত কৰি তোলে। এই-খিনিতে উল্লেখ কৰা ভাল হ'ব যে, চৰমপন্থীৰ বেছিভাগ অনুগামী আছিল শিক্ষক, কেৰাণী, ছাত্ৰ, মধ্য আৰু নিম্নবিত্ত বেকাৰ যুৱক। এই শ্ৰেণী কেইটাৰ দ্বাৰা সন্ত্ৰাসবাদী কাৰ্য-কলাপ চলাব পাৰিলেও, সফল বিপ্লৱ সংঘটিত কৰাৰ

উদাহৰণ বিশ্বৰ বুৰঞ্জীত বিৰল। অধ্যাপক অমলেশ ত্ৰিপাঠীৰ ভাষাত—"The great failure of the extremists was failure to enthuse the working class and the poor peasantry. They could not rouse them inspite of tall talk of appeal to the masses" (The Extremist challenge. page 145) হতাশগ্ৰস্ত চৰমপন্থী নেতা বিপিন চন্দ্ৰ, লাজপৎ ৰায় অৰবিন্দ আদিয়ে ৰাজনীতি পৰিত্যাগ কৰিছিল অথবা ৰাজনৈতিক কৌশল পৰিৱৰ্তন কৰিবলৈ বাধ্য হৈছিল। অৱশ্যে ভাৰতীয় আধ্যাত্মিক মূল্য বোধৰ মাজত নিমজ্জিত হৈয়ো অৰবিন্দই পশ্চিমীয়া শিক্ষাত শিক্ষিত শ্ৰেণীটোক মিছা অহংকাৰ আৰু ভেম পৰিহাৰ কৰি ভাৰত আৰু ভাৰতীয় মানুহৰ মঙ্গলৰ বাবে আত্মনিয়োগ কৰিবলৈ আবেদন কৰে। এইদৰে নৰমপন্থী আৰু চৰমপন্থীৰ মাজত হোৱা মত আৰু ব্যক্তিত্বৰ সংঘাতে ভাৰতীয় ৰাজনীতিত গভীৰ ক্ৰিয়াৰ সূচনা কৰে। স্বাৰ্থ আৰু মতৰ পাৰ্থক্য থকা সত্ত্বেও কেনেকৈ দেশ আৰু মানুহৰ মঙ্গলৰ চিন্তা কৰিব পাৰি গান্ধীজীয়ে সেই শিক্ষা পৰৱৰ্তী যুগত কংগ্ৰেছক দিছিল। ●

---

'লাখ মানুহৰ বাহুৰ কৰ্ম/কাঢ়ি গঢ়ি তোলে প্ৰসাদ হৰ্ম্য,
হয় ডাঙৰীয়া উদাৰ মহৎ/ৰৰ নেতা সমাজৰ..'

—ধীৰেন দত্ত।

---

গল্প

# প্ৰতীক্ষা

শ্ৰীনিৰ্মল দাস
১ম বাৰ্ষিক, স্নাতক মহলা

কোনোবাই নঙলা খোলা শব্দ পালেই সবিতা চৌধুৰীৰ গাত তত নোহোৱা হয়। ব্যগ্ৰ প্ৰতীক্ষাৰ অন্ত হোৱাৰ প্ৰত্যাশাত হৃদয়-মন থৌকি-বাথৌ লাগে। এনেকৈ হঠাতে জ্বলি উঠা আশাৰ জুই কুবা পিচমুহূৰ্ত্ততে নুমাই গৈছে বিগত ছাব্বিশ বছৰে বহু বহু বাৰ। সবিতা চৌধুৰী তথাপিও হতাশ হোৱা নাই। প্ৰত্যাশা আৰু প্ৰতীক্ষাৰে তেওঁ যেন চিৰ সেউজীয়া। প্ৰতিটো ৰাতিপুৱাকে সবিতাই সেয়ে সম্ভাষণ জনায়। প্ৰতিটো ৰাতিপুৱাকে সেয়ে তেওঁ নিজৰ সুদীৰ্ঘ প্ৰত্যাশাৰ অন্ত পেলাব পৰা এটি দিনৰ শুভাৱন্ত বুলিয়ে আদৰি লয়।

নঙলাত খুট কৈ শব্দটো হোৱাৰ লগে লগে কবিতা চৌধুৰী প্ৰায় জাপ মাৰি উঠিল। আন্ধাৰতে খেপিয়াই বেড্ চুইছটো জ্বলাই দি আঠুৰ'ৰ তলৰ পৰা ভৰি দুখন মাটিত নমাই দি উঠিব খোজোতেই কাষৰ বিচনাখনৰ পৰা অঞ্জনে মাত দি উঠিল: "মা তুমি যাব নালাগে। ময়ে চাই আহোঁ।' অঞ্জনে যে ইমান বেলি সাৰ পাই আছিল সবিতাই উমানে পোৱা নাছিল। তেওঁ ভাবিছিল অঞ্জন হয়তো টোপনিত লালকাল। সেয়ে তেওঁৰ ভাব হৈছিল নিজে গৈয়ে চাই আহিব নঙলাত কোনেনো শব্দ কৰিছে। বহুত দিন এনে শব্দ শুনি অঞ্জনক সবিতাই চাবলৈ পঠিয়াই এতিয়া আৰু তাক কবলৈ বেয়া পোৱা হৈছে। সেয়ে আজি কালি পৰাপক্ষত অঞ্জনক নকব পালেই ভাল পায়।

অঞ্জন বিচনাৰ পৰা উঠাত সবিতাই অৱশ্যে ভালেই পালে। নহলে ইটো কোঠাৰ পোহৰৰ পৰা আনটো কোঠাৰ আন্ধাৰৰ মাজেৰে গৈ চুইছ টিপিবলৈ কিবা খপজপখন লাগি যায়। বহাৰ পৰাই মাথো সবিতাই কলে 'বেগেতে যা বাপ।'

'গৈছোঁ মা'—বুলি অঞ্জন আনটো কোঠাৰ লাইট জ্বলাই দুৱাৰখন খুলি বাৰান্দা পালে। বাৰান্দাত থিয় হৈ থকা আগন্তুকৰ মাত সবিতাৰ কাণত পৰিল। পোষ্ট অফিচৰ পিয়নৰ মাত—'সবিতা চৌধুৰীৰ টেলিগ্ৰাম আছে।'

টেলিগ্ৰামৰ নাম শুনাৰ লগে লগে সবিতাই প্ৰায় দৌৰি যোৱাৰ নিচিনাকে গৈ অঞ্জনৰ ওচৰ পালে। পিয়নটো ইতিমধ্যে নঙলা খুলি ওলাই গৈছে। অসীম ব্যগ্ৰতাৰে অঞ্জনৰ হাতৰ পৰা

টেলিগ্ৰামখন নিজৰ হাতলৈ আনিব খোজোতেই অঞ্জনে কৈ উঠিল ঃ 'ব'বা মা, ইমান অধৈৰ্য নহ'বাচোন। আগতে মোক চাবলৈ দিয়া।' লগে লগে সি লেফাফ্যাটো খুলি ককায়েক বিজনৰ টেলিগ্ৰামখন পঢ়ি গ'ল— **'Arriving 27th early morning'**

'আৰু - আৰু কি লিখিছে সি'— সবিতা চৌধুৰী চিঞৰি উঠিল।

'আঃ, মা, তুমি ইমান উদ্বাউল নহ'বাচোন। বিজনদাই দেউতাৰ নিশ্চয় কিবা সুখবৰে লৈ আহিব।'—অঞ্জনে মাকক প্ৰবোধ দিয়াৰ স্বৰেৰে ক'লে।

সাতাইশ তাৰিখ দোকমোকালি। মানে অহা কালি খুব বাতিপুৱা। সবিতাই কথাটো ভাবি নিজৰ অজানিতে এক অস্বাভাৱিক পুলক সৰ্ব শৰীৰত অনুভৱ কৰিলে। লগে লগে তেওঁৰ চকুৰ সমুখত ছায়া ছবিৰ নিচিনাকৈ ভাহি উঠিল ছাব্বিশ বছৰ আগৰ এক দোকমোকালিৰ কথা— যিটো দোকমোকালিত তাইৰ ওচৰৰ পৰা আঁতৰি গৈছিল তাইৰ প্ৰাণতকৈও আপোন গিৰিয়েক ৰঞ্জন চৌধুৰী।

ছাব্বিশ বছৰ! মানে দুই যুগ আৰু দুটা বছৰ। এই সুদীৰ্ঘ কালছোৱাত যদিও সবিতা চৌধুৰীৰ কেঁচা হালধি যেন শৰীৰৰ ৰূপ-ৰহণ উৱলি জামৰি প্ৰায় শেষ হোৱাৰ উপক্ৰম তথাপি তেওঁৰ মন ক্লান্ত হৈ পৰা নাই অন্ততঃ ৰঞ্জন চৌধুৰীৰ ক্ষেত্ৰত। এতিয়াও তেওঁ মনৰ গোপনতম স্থানত যিটো আশা পুহি ৰাখিছে সেয়া হ'ল—ৰঞ্জন চৌধুৰী এদিন নহয় এদিন তেওঁৰ ওচৰলৈ ঘূৰি আহিবই। সেয়ে কপালৰ ৰঙা সেন্দুৰৰ ফোঁটটো আজিলৈকে প্ৰতিদিনে তেওঁ আনৰ চকুত নপৰাকৈ মূৰৰ চুলিৰ মাজৰ কোনোবাখিনিত অকণমানকৈ হ'লেও আঁকি লয়। কোনোবা দিনা পাহৰিব খুজিলেই সাংঘাতিক দোষ এটা কৰাৰ দৰে অনুতাপত দগ্ধ হৈ পৰে।

ৰঞ্জন আমেৰিকালৈ যোৱাৰ সময়ত তেওঁ-লোকৰ বৈবাহিক জীৱনৰ মাত্ৰ চাৰিটা বছৰহে পাৰ হৈ গৈছিল। তেওঁলোকৰ দ্বিতীয় সন্তান অঞ্জন তেতিয়া তিনিমহীয়া কেঁচুৱা। সৰুকালৰ পৰাই অসাধাৰণ মেধাসম্পন্ন ৰঞ্জনে অংক বিষয়ত সৰ্বোচ্চ স্থান লৈ এম, এচ, চি ডিগ্ৰী লোৱাৰ পাছত নিজে পঢ়া বিশ্ববিদ্যালয়খনতে প্ৰথমে অধ্যাপনাৰ কাম আৰম্ভ কৰে। আৰু অধ্যাপনা কৰাৰ প্ৰথম বছৰটোতে সবিতা চৌধুৰীক বিয়া কৰায়। সবিতা ৰঞ্জনৰ ছাত্ৰী আছিল যদিও আৰু সেইকাৰণে কোনো কোনো মহলৰ পৰা তেওঁলোকৰ বিয়াত আপত্তিৰ মৃদু স্বৰ উচ্চাৰিত হৈছিল যদিও সিহঁতৰ প্ৰেমৰ বানত সেয়া আছিল বালি ভেটা মাথোন। যুগ্ম জীৱনৰ স্বাক্ষৰ হিচাপে বিজন আৰু অঞ্জন জন্ম পোৱাৰ পিচত ৰঞ্জন আমেৰিকালৈ যায় উচ্চ শিক্ষাৰ বাবে। আন কথাত, সাংসাৰিক জীৱনৰ বান্ধোনে ৰঞ্জনৰ জ্ঞান লাভৰ উদগ্ৰ উচ্চাকাঙ্ক্ষী মনটোক বান্ধি ৰাখিব নোৱাৰিলে। কৰ্মক্ষেত্ৰৰ কৰ্তৃপক্ষ আৰু চৰকাৰৰ পাকলগা নিয়ম-নীতিয়ে চৰকাৰী খৰচত বিদেশলৈ যোৱাৰ ক্ষেত্ৰত বিধি-পথালি দিয়াত প্ৰচুৰ সম্পত্তিৰ মালিক দেউতাকৰ একমাত্ৰ পুত্ৰ

ৰঞ্জনে চাকৰি ইস্তাফা দি নিজ খৰচতে বিদেশলৈ যোৱাৰ সিদ্ধান্ত লৈছিল। সবিতাই প্ৰথমতে ৰঞ্জনে তেনে সিদ্ধান্ত ল'ব খোজোতে মৃদু আপত্তি তুলিছিল যদিও ৰঞ্জনৰ মেধা ব্যক্তিত্ব আৰু মনৰ দৃঢ়তাৰ আগত সবিতাৰ সেই আপত্তি নৰজিল। ৰঞ্জনে 'শুনা সবিতা, তুমি জানা মই কি প্ৰকৃতিৰ মানুহ। যিটো কৰিম বুলিছোঁ সেইটো কৰিয়ে আহিছোঁ আৰু ইমান দিনে তাত কৃতকাৰ্যও হৈ আহিছোঁ। ··· ··· ··· মাত্ৰ তিনিটা বছৰহে। চকুৰ পচাৰতে পাৰ হৈ যাব দিয়া। তিনিটা বছৰতকৈ এটি দিনো মই পাৰ হ'বলৈ নিদিওঁ। মই তোমাৰ গা চুই কথা দিছোঁ মই একেজন ৰঞ্জন হৈয়ে সুস্থ শৰীৰে তোমাৰ সন্মুখত থিয় হ'ম আৰু চাবা, তেতিয়া এইখন বিশ্ববিদ্যালয়ে নতুবা এইখন চৰকাৰেই মোক জোৰকৈ মাতি নি কোনো ডাঙৰ চাকৰিত বহুৱাই দিব। ··' বুলি গলগলীয়া মাতটোৰে কোৱা ছাব্বিশ বছৰৰ আগৰ কথাখিনি সবিতা চৌধুৰীৰ কাণত এতিয়াও সৌ সিদিনাৰ কথাৰ নিচিনা বাজি আছে।

সবিতা চৌধুৰীৰ প্ৰাণত যদিও ৰঞ্জনৰ প্ৰতিটো কথাই জীৱন্ত হৈ আজি পৰ্যন্ত বাজি আছে, ৰঞ্জনৰ জীৱন প্ৰদীপ তেওঁৰ অন্তৰত এতিয়াও যদিও অম্লান হৈয়ে জ্বলি আছে, ৰঞ্জনৰ আত্মীয়-স্বজনৰ কাৰণে ৰঞ্জন কিন্তু এতিয়া এটি স্মৃতিত পৰিণত হৈছে। কবলৈ গলে ৰঞ্জনৰ দেউতাকৰ জীৱন বন্তিও ৰঞ্জনৰ বিষয়ে পোৱা সেই অভাৱনীয় খবৰটোৰ পিচতেই নুমাই গৈছিল।

ৰঞ্জনৰ বিষয়ে সেয়া আজিও সাঁথৰ হৈ থকা এক নিকৰুণ অধ্যায়। সেয়া আছিল ৰঞ্জন আমেৰিকালৈ যোৱাৰ আঢ়ৈ বছৰ পাছৰ কথা। প্ৰতি মাহে কমেও দুখনকৈ চিঠি পোৱা ৰঞ্জনৰ সেই বেলি দুমাহ চিঠি পোৱা নাছিল সবিতাই। আৰু দুমাহৰ মূৰত যিখন জৰুৰী চিঠি পাইছিল সেইখন ৰঞ্জনৰ চিঠি নাছিল। চিঠিখন লিখিছিল ৰঞ্জনৰ গৱেষণাৰ গাইড্ গৰাকীয়ে। আৰু সেই চিঠিখনে সবিতাৰ বাবে পৰিয়ালৰ প্ৰতিজনৰ বাবে কঢ়িয়াই আনিছিল অকল্পনীয় অভাৱনীয় এক ভয়ঙ্কৰ বতৰা। গাইড্জনে লিখিছিল 'এসপ্তাহ আগত ৰঞ্জন তাৰ থকা স্থানৰ পৰা নিখোজ হৈছে। পুলিচক খবৰ দিয়া হৈছে। জোৰ তদন্ত চলি আছে। খুব সোনক'লে সুখবৰ দিয়াৰ আশা।' ···

খুব সোনকালে সুখবৰ দিয়াৰ আশা ৰঞ্জনৰ গাইড্জনে সেই চিঠিখনত সবিতাক দিছিল যদিও ৰঞ্জনৰ বিষয়ে কোনো সঠিক খবৰে সবিতাই আজিলৈ পোৱা নাই। যাবৰ সময়ত ৰঞ্জনে দি যোৱা প্ৰতিশ্ৰুতিকে একমাত্ৰ সম্বল কৰি সবিতা চৌধুৰীয়ে যদিও এতিয়াও ৰঞ্জনৰ প্ৰতীক্ষাৰতা হৈ আছে ৰঞ্জনৰ বৃদ্ধ দেউতাকে কিন্তু একমাত্ৰ সন্তানৰ নিখোজৰ বাতৰিটোৰ আঘাত সহ্য কৰিব নোৱাৰিলে। খবৰটো পোৱাৰ পাছৰ দুমাহমান বহু প্ৰকাৰে বহু চেষ্টা-প্ৰচেষ্টা, অৰ্থব্যয় কৰিও যেতিয়া পুতেকৰ খবৰ সংগ্ৰহ কৰিবলৈ ব্যৰ্থ হ'ল তেওঁ খাৱন-শোৱন এৰি প্ৰায় উন্মাদ হৈ উঠিল আৰু এদিন হঠাতে হোৱা তীব্ৰ ষ্ট্ৰোকত তেওঁৰ মৃত্যু ঘটিল।

শহুৰেকৰ মৃত্যুৰ পিচত সবিতা চৌধুৰী বাৰুকৈয়ে কাহিল হৈ পৰিছিল যদিও ভাগি কিন্তু

নপৰিল। শহুৰেকৰ বিপুল সম্পত্তিবোৰ ঠিক মতে তদাৰক কৰাৰ উপৰিও বিজন আৰু অঞ্জনক মানুহ কৰাৰ সমস্ত দায়িত্ব কান্ধ পাতি লৈ নীৰৱে আৰু একাগ্ৰচিত্তে প্ৰতীক্ষা কৰি ৰ'ল ৰঞ্জনৰ প্ৰত্যাৱৰ্তনৰ বাবে। ব্যক্তিত্বসম্পন্ন আৰু দৃঢ়মনা ৰঞ্জনৰ সমস্ত সত্তাকে তন্ন তন্নকৈ চিনি পোৱা সবিতা চৌধুৰীৰ মনটোৱে তেওঁক ৰঞ্জনৰ প্ৰতি-শ্ৰুতি অথলে যাব বুলি এদিনলৈও ভাবিবলৈ যেন বাধা দিলে। নিখোজৰ বহু কেইটা সম্ভৱপৰ কাৰণে তেওঁৰ মনলৈ আহিছিল যদিও যিটো কাৰণ সেই সময়ত তেওঁৰ মনলৈ বেছিকৈ আহি-ছিল আৰু যিটো কাৰণকে তেওঁ এতিয়াও প্ৰাধান্য দি আহিছে সেয়া হৈছে ৰঞ্জনৰ অপ-হৰণ। ৰঞ্জনেই তেওঁক কেতিয়াবা অপহৰণৰ প্ৰসঙ্গত কৈছিল যে বিদেশত সময়ে সময়ে মেধাও অপহৃত হয়। কোনো দেশৰ মেধাবী লোকক আন কোনো দেশে অপহৰণ কৰি নিজ দেশৰ কামত খটুৱায়। সবিতা চৌধুৰীয়ে সেয়ে প্ৰায় খাটাংকৈয়ে ধৰি লৈছিল যে অসাধাৰণ প্ৰতিভা-সম্পন্ন গণিতজ্ঞ ৰঞ্জনক হয়তো তেনে উদ্দেশ্যৰে আন কোনো দেশে অপহৰণ কৰি নিছে। আৰু এতিয়াও তেওঁৰ দৃঢ় বিশ্বাস যে কোনো দেশৰ গৱেষণাগাৰত হয়তো বন্দী কৰি ৰখা হৈছে ৰঞ্জনৰ শৰীৰ আৰু মেধা।

ৰঞ্জনৰ নিখোজৰ খবৰ পোৱাৰ পাছত ৰঞ্জন সম্পৰ্কে এনেকুৱা এটা সিদ্ধান্তলৈ আহি সবিতা চৌধুৰীয়ে যিটো আশা লৈ জীয়াই থকাৰ প্ৰেৰণা পাইছিল সেয়া হৈছে বিজন নহ'লে অঞ্জনে এদিন নহয় এদিন দেউতাকক তেওঁৰ ওচৰত হাজিৰ কৰাইহে এৰিব। আৰু তেনে এটা সম্ভাৱনাই দেখা দিছিল প্ৰায় এমাহ আগতে। ডাঙৰ পুতেক ডেকা বিজ্ঞানী বিজনক সি কাম কৰা কোম্পানীটোৱে আমেৰিকাত তিনি সপ্তাহৰ ট্ৰেইনিং এটি লোৱাৰ বাবে নিৰ্বাচিত কৰা খবৰটো প্ৰায় এমাহ আগত সি যি মুহূৰ্তত সবিতা চৌধুৰীৰ আগত ব্যক্ত কৰিছিল সেই মুহূৰ্তত তেওঁ যেন নিজ হাতে স্বৰ্গ চুকি পাইছিল। সুদীৰ্ঘ ছাব্বিশ বছৰে গোসাঁইঘৰত চাকি জ্বলাই ঈশ্বৰক কৰা প্ৰাৰ্থনাৰ ফল পোৱাৰ সময় সমাগত হোৱা যেন তেওঁৰ অনুভৱ হৈছিল। উৎসাহ আনন্দত অধীৰ হৈ পুতেক বিজনক সাৰটি ধৰি সেয়ে তেওঁ যাত্ৰাৰ আগমুহূৰ্তত সঁকিয়াই দিবলৈ পাহৰা নাছিল ঃ 'তই কিন্তু বৰ মইনা, দেউতাৰাক যি কোনো প্ৰকাৰে উদ্ধাৰ কৰিবই লাগিব। এনে সুবিধা পাছত আৰু নাপাবও পাৰা।'

প্ৰায় এমাহৰ আগতে আমেৰিকালৈ যোৱা সেই বিজনেই মাকলৈ পঠিয়াই দিছে এইখন টেলিগ্ৰাম—যি সবিতা চৌধুৰীৰ মন সাগৰত সৃষ্টি কৰিছে আকাশচুম্বী জোৱাৰ—যি ঘনে-ঘনে ক্ষণে ক্ষণে তেওঁৰ মনৰ চকুৰ সমুখত উপস্থিত কৰাইছে ৰঞ্জনৰ সুগঠিত উজ্জ্বল অৱস্থিতি—এই যেন প্ৰাণ খোলা হাঁহিটো মাৰি তেওঁক আঁকোৱালি ল'ব ....

মনৰ উত্তেজনাত কি কৰিব কি নকৰিব তেওঁ যেন ঠিক কৰিব নোৱাৰা হ'ল। ৰঞ্জনে মাকৰ অৱস্থাটো বুজি পাই মাকক শান্ত হবলৈ ধৈৰ্য ধৰিবলৈ বাৰ বাৰ অনুৰোধ কৰা স্বত্বেও বিফল

হ'ল। তাৰ পিচত 'মাকে যি কৰে কৰক, সি মাথো আঁৰ চকুৰে চাই থাকিব'—এনে এটা ভাৱত হকা-বাধা কৰিবলৈ এৰি দিলে।

সি লক্ষ্য কৰিলে মাকে নিজৰ চুটকেচৰ পৰা চাবি কোচা লৈ পেৰাটো খুলিলে। তাৰ পাছত পেৰাৰ ভিতৰৰ পৰা সযতনে মেৰিয়াই থোৱা কাপোৰৰ টোপোলা এটা উলিয়াই আনিলে। সি জানে সেইটো সিহঁতৰ দেউতাকৰ কাপোৰৰ টোপোলা। মাকৰ যেতিয়া দেউতাকলৈ খুব বেছিকৈ মনত পৰে তেতিয়া তেওঁ সেইটো উলিয়াই আনি দেউতাকৰ কাপোৰ যোৰ এখন এখনকৈ মেলি চায় আৰু কাপোৰৰ ভাঁজত থকা দেউতাকৰ প্ৰতিখন চিঠিকে মনযোগেৰে পঢ়ি যায়। মাকে এনে কৰা সিহঁতে বহুবাৰ দেখিছে। আজিও সেইটো কৰিবলৈ লোৱাৰ বঞ্জন আচৰিত নহ'ল। কিন্তু সি লক্ষ্য কৰিলে আজি মাকে প্ৰতিযোৰ কাপোৰ চোৱা নাই। এযোৰ কাপোৰহে উলিয়াই ললে। সেইযোৰ কাপোৰ হেনো দেউতাকে বিয়াত দৰা হৈ যাওঁতে পিন্ধা কাপোৰ। মিহি সূতাৰ ধকধকীয়া ধুতি এখন আৰু পাটৰ পাঞ্জাবী এটা। সেই যোৰ কাপোৰৰ মাজত থকা চিঠি এখন মাকে এইবাৰ উলিয়াই ললে। সেইখন দেউতাকৰ শেহতীয়া চিঠি। চিঠিখনৰ বিষয়বস্তু বিজন আৰু বঞ্জনৰ পৰিচিত। মাকে আগতে কেবাবাৰো কক্কায়েক বিজন আৰু তাক পঢ়ি শুনাইছিল। তাত দেউতাকে লিখিছিল—'গৱেষণা শেষ হ'বলৈ আৰু বেছি দিন নাই। নিৰ্দ্ধাৰিত সময়ৰ হয়তো এমাহ দুমাহ আগতেই শেষ হৈ যাব। যিটো বিষয় বস্তুৰ ওপৰত গৱেষণা প্ৰায় সমাপ্ত কৰি অনা হৈছে সি নিশ্চয় নতুন দিশৰ সূচনা কৰিব।' একেখন চিঠিতে পুনৰ মাকক দি যোৱা প্ৰতিশ্ৰুতিৰ উল্লেখ কৰি লিখিছিল 'জানা সবিতা, তোমাৰ বঞ্জন কিন্তু এতিয়াও ৰঞ্জন হৈয়ে আছে। আমেৰিকাৰ বা-বতাহে তাক তিলমাত্ৰও সলনি অথবা মলিয়ন কৰিব পৰা নাই।' প্ৰতিখন চিঠিতে সবিতাৰ উপৰিও নিজৰ দেউতাক, বিজন আৰু বঞ্জনৰ খবৰ তন্ন তন্নকৈ লোৱা বঞ্জনে সেইখন চিঠিতো তেওঁলোকৰ খবৰ ল'বলৈ পাহৰা নাছিল।

চিঠিখন পঢ়ি শেষ কৰাৰ পাছত প্ৰয়োজনতকৈ অলপ বেছি জোৰে সবিতা চৌধুৰীয়ে অঞ্জনৰ উদ্দেশ্যে কৈ উঠিল: সৰু মইনা, দেউতাৰ আহি পালে এই যোৰ কাপোৰকে তেখেতক পিন্ধিব দিম। আৰু শুন অ' বোপাই, তই মোক পূৰে পোহৰ নৌ হওঁতেই আগলি কলপাত এখিলা কাটি আনি দিবি। দেউতাৰ আহি পোৱাৰ আগতেই চাকি এগছ গোসাঁই ঘৰত জ্বলাই দিব লাগিব—যাতে আহি পালেই তেখেতে গোসাঁই ঘৰত সেৱা এটি কৰিব পাৰে।

মাকৰ ব্যস্ততা আৰু উলহ-মালহ দেখি অঞ্জনে কি কৰিব কি নকৰিব ভাবি নাপাই মাকক শলাগি থোৱাটোকে উচিত বিবেচনা কৰিলে।

বিচনাত পৰিল যদিও ৰাতিৰ বাকী সময়-ছোৱাত অঞ্জন আৰু মাক কাৰো টোপনি নাহিল। দুয়ো মাথো অধীৰ আগ্ৰহেৰে প্ৰতীক্ষা কৰি থাকিল দোকমোকালিৰ এটি ক্ষণৰ বাবে।

দোকমোকালিৰ লগে লগে দুয়ো পদূলিমুখত গাড়ী এখন ৰোৱাৰ শব্দ শুনি বিচনাৰ পৰা জাপ

মবাৰ নিচিনাকে উঠি একেকোবে পদূলিমুখ পালেগৈ। ইতিমধ্যে বিজনে গাড়ীৰ পৰা নামি ড্ৰাইভাৰটোক তাৰ প্ৰাপ্য বুজাই দিছে।

গাড়ীৰ পৰা অকল বিজনক নমা দেখি সবিতাৰ অন্তৰ অজান আশঙ্কাত দগমগাই উঠিল। 'দেউতাৰ ক'ত' বুলি তেওঁ বিজনৰ সোঁবাহুখন দুয়ো হাতেৰে খামোচ মাৰি ধৰি জোকাৰি দিলে। উত্তৰত বিজনে মাথো নিৰ্বাক হৈ অশ্ৰুভৰা এজুৰি চকুৰে মাকৰ মুখৰ ফালে চালে।

প্ৰকাণ্ড অট্টালিকা এটা যেন ভূঁইকঁপৰ প্ৰচণ্ড জোকৰণিত চূৰ্ণ-বিচূৰ্ণ হৈ সবিতা চৌধুৰীৰ মূৰত ভাঙি পৰাৰ উপক্ৰম হৈছে, এনে এক ভঙ্গিমাৰে মূৰৰ দুইফাল দুই হাতেৰে জোৰেৰে হেঁচি ধৰি তেওঁ ঠাইতে বহি পৰিল। বিজনৰ নীৰৱতা আৰু অশ্ৰুপূৰ্ণ চকুযুৰিয়ে তেওঁক তাৰ মুখৰ অনুচ্চাৰিত কথাখিনি সোধাৰ প্ৰয়োজন নৰখাকৈ বুজাই দিছিল যদিও তেওঁ ঈশ্বৰৰ ওচৰত সেই মুহূৰ্ত্তত এটাই প্ৰাৰ্থনা কৰিছিল বিজনে যেন তেওঁক কয় যে সি এই বেলি দেউতাকৰ কোনো খবৰে সংগ্ৰহ কৰিব নোৱাৰিলে। ●

# শৰবিদ্ধ

মিচ্ গজমতী সাহা
১ম বাৰ্ষিক, স্নাতক মহলা

নিমন্ত্ৰণী পত্ৰ এখনৰ কেইটিমান শব্দ-সমষ্টিয়ে যে তাইৰ হিয়াখন এনেদৰে চূৰ্ণ-বিচূৰ্ণ কৰিব পাৰে হিমাদ্ৰীয়ে কেতিয়াও সপোনতো কল্পনা কৰিব পৰা নাছিল। তাই যিমানে কঠোৰ হবলৈ চেষ্টা কৰিলে, সিমান তাই দুৰ্বল অসহায় অনুভৱ কৰিবলৈ ধৰিলে। বাৰ বাৰ চকুৰ সমুখত এটি এটিকৈ ভাহি উঠিল নিমন্ত্ৰণী পত্ৰখনৰ শব্দবোৰ। মুহূৰ্তে মুহূৰ্তে অনুভৱ কৰিবলৈ ধৰিলে বুকুৰ ভিতৰত জ্বলি উঠা যন্ত্ৰণাৰ জুইকুৰাৰ তীব্ৰ দহন।

নিমন্ত্ৰণী পত্ৰখন পোৱাৰ আগমুহূৰ্তলৈ তাই যিখন আকাশৰ তলত বিচৰণ কৰিছিল সেইখন আকাশ কৃষ্ণচূড়াৰ জুয়ে ৰঙা কৰি থৈছিল, যিখন পৃথিবীত লৰি-ঢাপৰি ফুৰিছিল সেইখন পৃথিবীত ভোমোকাফুলীয়া ফুল ফুলিছিল, নাহৰ-তগৰ-কপৌৰ সুবাসে গোটেইখন আমোলমোলাই ৰাখিছিল। আৰু সেইখন আকাশৰ তলত আৰু সেইখন পৃথিবীৰ ওপৰত বিচৰণ কৰি তাই প্ৰায়ে ৰোমন্থন কৰিছিল এবি অহা শৈশৱ, কৈশোৰ আৰু যৌৱনৰ আৰম্ভণিৰ দিনবোৰ।

সেই দিনবোৰ এটা অৰ্থত এটা সময়ত অৱশ্যে তাইৰ মুঠেই ভাল লগা নাছিল। সেই দিনবোৰ— যিবোৰৰ প্ৰতিঘণ্টাত প্ৰতি মিনিটত প্ৰতি মুহূৰ্তত তাই অভাৱ-অনাটন আৰু অৱজ্ঞাৰ সমুখীন হব লগা হৈছিল—সেই দিনবোৰ বাৰু তাইৰ এটা সময়ত কেনেকৈ ভাল লাগিব পাৰে?

এতিয়াও তাইৰ স্পষ্ট মনত আছে শৈশৱ-কৈশোৰৰ বহু দিনৰ বহু বেদনা-ধূসৰ স্মৃতি। দিনটোৰ আন সময়ৰ কথাতো বাদেই, আনকি বহুদিন লগ-সমনীয়াৰ লগত ঘৰৰ চোতাল-পদূলিত বালি-ধূলিৰে উমলি-জামলি খেলা খেলি থকা সময় খিনিতো তাই অনুভৱ কৰিছিল তাইৰ পেটত ভোকৰ কলমলনি। খেলি থাকোঁতে তাইৰ তলৰ ভায়েকটোৱে 'মোৰ ভোক লাগিছে বা' বুলি প্ৰায়ে কান্দি কান্দি কোৱা শব্দ কেইটাই তাইৰ নিজৰ ভোকটোও আৰু বেছিকৈ উক দিয়াত সহায় কৰিছিল। তাইক লাজ-সঙ্কোচে প্ৰায়ে আগুৰি ধৰিছিল যেতিয়া তাই ৰাতিপুৱা ওচৰৰ আন সমনীয়া ছোৱালীৰ লগত দেউতাকে শনিবৰীয়া হাটৰ পৰা কিনি আনি দিয়া ডাঙৰ ডাঙৰ ফুলৰ সস্তীয়া ফ্ৰকটো পিন্ধি স্কুললৈ যাব লগীয়া হৈছিল। বছৰত এটাতকৈ বেছি ফ্ৰকৰ মুখ নেদেখা হিমাদ্ৰীৰ স্কুললৈ পিন্ধি যোৱা ফ্ৰকটো

বছৰৰ শেষলৈ প্ৰায়ে ফুলৰ চাববোৰ উঠি গৈ বিবৰ্ণ হৈছিল আৰু ফিটিকিছিল। জোবা-টাপলি মৰা সেই ফ্ৰকটো পিন্ধি যেতিয়া তাই ক্লাষৰ ঘৰৰ সঘনে বেলেগ বেলেগ ফ্ৰক পিন্ধি যোৱা পিঙ্কী, ৰূপা, মাম্পীহঁতৰ লগত স্কুললৈ গৈছিল আৰু সিহঁতে যেতিয়া তাইৰ ফ্ৰকটোলৈ চাই সিহঁতৰ মাজতে ফিচিঙা-ফিচিঙি কৰিছিল তেতিয়া তাইৰ লাজ-অপমান আৰু বেজাৰত মৰি যাবৰ মন গৈছিল। অৱশ্যে সিহঁতৰ লগত যোৱা জোনালীয়ে কেতিয়াও তাইক বেজাৰ দিয়া নাছিল। জোনালীৰ দেউতাক কেম্বাৰী ঘৰৰ মহৰী আছিল। ঘৰখনত খাওঁতা কেবাজন কাৰণে সিহঁতেও মাজে মাজে লঘোনে থকা বুলি জোনালীয়ে কেতিয়াবা তাইক কৈছিল। জোনালীয়ে পিন্ধা ফ্ৰকটোও সিমান ভাল নাছিল যদিও তাইৰ অনুমান হৈছিল যেন তাইৰ ফ্ৰকটোতকৈ ভাল আছিল। এদিনতো বৰা ইঞ্জিনীয়াৰৰ ছোৱালী পিঙ্কীয়ে ডাক্তৰৰ ছোৱালী মাম্পীক তাইৰ বিষয়ে তাইক শুনাকৈয়ে কৈছিল: 'এই চা, এইজনীয়ে উমান বেয়া কাপোৰ পিন্ধে··· ··· ··· ··· ভিক্ষাৰী যেন লাগে ··· আমাৰ মাই তাইৰ লগ ল'ব মানা কৰি দিছে।' সেয়া হিমাদ্ৰীহঁত প্ৰাইমাৰী স্কুলৰ শেষ শ্ৰেণীত পঢ়ি থকা সময়ৰ কথা। অভাৱ-অনাটনে বহু কথা শিকোৱা হিমাদ্ৰীৰ তেতিয়া সেই কথা কেইটাৰ হিয়া দহি নিয়া বিষ অনুভৱ কৰাৰ ক্ষমতা পূৰা মাত্ৰাই হৈছিল। তাই কথা কেইটা শুনিও নুশুনাৰ ভাও ধৰিছিল। চল-চলীয়া হৈ পৰা চকু দুটা সিহঁতৰ বিপৰীতফালে ঘূৰাই সিহঁতৰ পিচে পিচে নীৰৱে স্কুললৈ আগবাঢ়িছিল। মাক আৰু বিশেষকৈ দেউতাকৰ প্ৰতি তীব্ৰ খং আৰু অভিমানত তাইৰ সমস্ত মন ভৰি উঠিছিল। বাৰ বাৰ তাইৰ অকমানি মনটোৱে প্ৰশ্ন কৰিছিল — কিয় তাইৰ দেউতাকেও পিঙ্কী, মাম্পীহঁতৰ দেউতাকহঁতৰ দৰে চাকৰি নকৰে? অথবা কিয় ৰূপাৰ দেউতাকৰ দৰে এখন ডাঙৰ দোকান নিদিয়ে? কিয় তাইকো সিহঁতৰ দৰে চোলা নিদিয়ে, মুখত ঘঁহিবলৈ স্নো-পাউদাৰ আৰু চুলিত ঘঁহিবলৈ সুগন্ধি তেল নিদিয়ে. মূৰত মাৰিবলৈ ৰংচঙীয়া 'বেণ্ড' নিদিয়ে? কিয় ··· কিয় ?

শৈশৱ-কৈশোৰৰ এই অভিযোগ-অভিমানবোৰে তাইৰ যৌৱনে গৰকা দিনবোৰতে তাইক আমনি দিছিল, যন্ত্ৰণা দিছিল, নীৰৱে কন্দুৱাইছিল। হয়তো তাইক কন্দুৱাইয়ে থাকিলেহেঁতেন যদিহে তাইৰ গতি পথতো এদিন অনাহূতভাৱে এপাহি গোলাপ ফুটি নুঠিলেহেঁতেন।

সেয়া তাই কলেজৰ প্ৰথম বাৰ্ষিকত পঢ়ি থকা সময়ৰ কথা। অভাৱ-অনাটনে সৃষ্টি কৰা বাধাৰ বহু হেঙাৰ মনৰ দৃঢ়তা আৰু নিজ বুদ্ধিমত্তাৰ বলত উদাত্ত জাপেৰে চাপ পাৰ হোৱা চঞ্চলা কিশোৰী এজনীৰ দৰে পাৰ হৈ আহি তাই তেতিয়া প্ৰথম বিভাগত হাইস্কুল শিক্ষান্ত পৰীক্ষা পাছ কৰি আহি কলেজত ভৰ্তি হৈছেহে মাথোন। কৈশোৰ আৰু প্ৰাক্ যৌৱনৰ অৰুপণ হাত বুলনিয়ে তাইৰ দেহত তেতিয়া ৰূপৰো জোৱাৰ অফুৰন্তভাৱে নমাই অনাৰ বাৰুকৈয়ে যো-জা কৰিছে। লগৰ ছোৱালীবোৰৰ নিচিনা দামী ৰং-বিৰঙৰ পোছাক নিপিন্ধিলেও মাকৰ লগত